**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-07-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। সংসদৰ দুয়োখন সদনে আজি লোকসভা আৰু ৰাজ্যসভাৰ যৌথ অধিৱেশনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ ভাষণ সন্দৰ্ভত ধন্যবাদসূচক প্ৰস্তাৱৰ বিষয়ে আলোচনাত মিলিত হয়।

২। লেফটেনেণ্ট জেনেৰেল উপেন্দ্ৰ দ্বিবেদীয়ে পৰৱৰ্তী সেনাধ্যক্ষ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছে।

৩। সমগ্ৰ দেশজুৰি আজিৰেপৰা তিনিখন নতুন ফৌজদাৰী আইন বলবৎ হৈছে।

৪। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বৰ্ডে আইচিচি-টি টুৱেণ্টি বিশ্বকাপৰ খিতাপ জয় কৰাৰ বাবে ভাৰতীয় দললৈ ১২৫ কোটি টকাৰ প্ৰাইজমানি ঘোষণা কৰিছে।

আৰু

৫। চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত মহিলাৰ টেষ্ট ক্ৰিকেট খেলত আজি ভাৰত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

০০০০০০০

সংসদৰ দুয়োখন সদনে আজি লোকসভা আৰু ৰাজ্যসভাৰ যৌথ অধিৱেশনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ ভাষণ সন্দৰ্ভত ধন্যবাদসূচক প্ৰস্তাৱৰ বিষয়ে আলোচনাত মিলিত হয়।

লোকসভাত বিজেপি সাংসদ অনুৰাগ সিং ঠাকুৰে অংশগ্ৰহণ কৰি বিগত ১০ বছৰত জনসাধাৰণৰ কল্যাণ আৰু অৰ্থনীতিৰ ক্ষেত্ৰত ক্ষিপ্ৰতাৰে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰশংসা কৰে। তেওঁ কয় যে ২৫ কোটি জনসাধাৰণক দৰিদ্ৰতাৰ পৰা উত্থান কৰা হৈছে আৰু চৰকাৰে ৮০ কোটি লোকক প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ যোজনাৰ অধীনত বিনামূলীয়া খাদ্য-শস্যৰ যোগান ধৰিছে। পূৰ্বৰ ইউ পি এ চৰকাৰৰ বিষয়ে উল্লেখ কৰি শ্ৰী ঠাকুৰে কয় যে তেওঁলোক ক্ষমতাত থকাৰ সময়ৰ অৰ্থনীতিৰ তুলনাত দেশখন এতিয়া পঞ্চম বৃহত্তম অৰ্থনীতিলৈ ৰূপান্তৰিত হৈছে আৰু অতি সোনকালে তৃতীয় বৃহত্তম অৰ্থনীতিলৈ পৰিণত হ'ব। ইয়াৰ উপৰি তেওঁ ইউ পি এ চৰকাৰৰ কেলেংকাৰী, পুঁজিবাদ আদিৰ বিৰুদ্ধেও অভিযোগ তোলে। ইয়াৰ পূৰ্বে সদনৰ বৈঠকত বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়ে NEET পৰীক্ষাত সংঘটিত হোৱা অনিয়মৰ বিষয়টো উত্থাপন কৰে। তেওঁ কয় NEET-ৰ বিষয়টো সংসদৰ বাবে যে অতি গুৰুত্বপূৰ্ণ - এই বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি সংসদে এটা বাৰ্তা প্ৰচাৰ কৰা উচিত। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয় যে সংসদৰ কাৰ্যাৱলী কিছুমান নিয়ম আৰু পৰম্পৰাৰ ওপৰত ভিত্তি কৰি সম্পন্ন কৰা হয়। যিকোনো আলোচনা ৰাষ্ট্ৰপতি ভাষণৰ ওপৰত ধন্যবাদ প্ৰস্তাৱৰ পাছতহে কৰিব লাগে বুলি তেওঁ বিৰোধী পক্ষক আহ্বান জনায়।

ৰাজ্যসভাত আজি পুৱা অধ্যক্ষ জগদীপ ধনখড়ে বিৰোধী সদস্যসকলে উত্থাপন কৰা স্থগিতকৰণৰ জাননীৰ অনুমতি নাকচ কৰে। পাছত সংসদে দুয়োখন সদনৰ যৌথ বৈঠকৰ অন্তত ৰাষ্ট্ৰপতিয়ে দিয়া ভাষণৰ বিষয়ে আলোচনা আৰম্ভ কৰে। আলোচনাত অংশগ্ৰহণ কৰি বিৰোধী দলপতি মল্লিকাৰ্জুন খাৰ্গেই দৰিদ্ৰ আৰু দলিত তথা সংখ্যালঘুসকলৰ বাবে একো নাই বুলি অভিযোগ তুলি ই কেৱল চৰকাৰৰ প্ৰশংসা বুলি কয়। শ্ৰী খাৰ্গেই সংসদ ভৱন চৌহদত মহাত্মা গান্ধী, ড$^{o}$ বি আৰ আম্বেদকাৰ আৰু ছত্ৰপতি শিৱাজীৰ প্ৰতিমূৰ্তি এটা স্থানৰ পৰা আন এটা স্থানলৈ স্থানান্তৰিত কৰাৰ সিদ্ধান্তক লৈ প্ৰশ্ন উত্থাপন কৰে। অধ্যক্ষই শ্ৰী খাৰ্গেৰ মন্তব্যক নাকচ কৰি কয় যে স্বাৰ্থজনিত সমালোচনা কৰাটো সঠিক নহয়।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শ্ৰীলংকাৰ তামিল নেচনেল এলায়েন্সৰ বৰ্ষীয়ান নেতা তথা ৰাজনীতিবিদ আৰ ছম্পথানৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে কয় যে প্ৰয়াত সম্পথানৰ সৈতে হোৱা তেওঁৰ সাক্ষাৎ সদায় মনত থাকিব। তেওঁ কয় যে প্ৰয়াত সম্পথানে শ্ৰীলংকাৰ তামিল জনসাধাৰণৰ শান্তি, নিৰাপত্তা, সমান সুযোগ, ন্যায় আৰু মৰ্যাদাৰ বাবে কাম কৰিছিল। শ্ৰী মোদীয়ে কয় যে শ্ৰীলংকাৰ তামিল আৰু ভাৰতীয়সকলে

ছুম্পথানৰ অনুপস্থিতি অনুভৱ কৰিব। প্ৰধানমন্ত্ৰীয়ে প্ৰয়াত ছুম্পাথনৰ পৰিয়াল আৰু বন্ধু-বৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। এইগৰাকী বৰ্ষীয়ান নেতা শ্ৰীলংকাৰ সংসদলৈ ছবাৰকৈ নিৰ্বাচিত হৈছিল আৰু বিৰোধী পক্ষৰ এজন নেতা হিচাপে কাৰ্যভাৰ চলাইছিল।

বিদেশ মন্ত্ৰী ড$^{0}$ এছ্ জয়শংকৰে ৰাজনীতিবিদগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি যোৱা কেইবাদশকো ধৰি তেওঁৰ সৈতে কৰা বৈঠক আৰু আলোচনা স্মৰণ কৰে। মন্ত্ৰীগৰাকীয়ে কয় প্ৰয়াত ছুম্পথানে তেওঁৰ সমগ্ৰ জীৱন শ্ৰীলংকাৰ তামিলসকলৰ ন্যায়, মৰ্যাদা আৰু সমতাৰ বাবে যুঁজ দিছিল।

০০০০০০০

সমগ্ৰ দেশজুৰি আজিৰ পৰা তিনিখন নতুন ফৌজদাৰী আইন ক্ৰমে ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম বলবৎ হ'ব। কেন্দ্ৰীয় চৰকাৰে এই পৰিপ্ৰেক্ষিতত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ সৈতে নিয়মীয়াকৈ বৈঠক অনুষ্ঠিত কৰিছে আৰু সকলোৱে এই নতুন ফৌজদাৰী আইন কেইখন ৰূপায়ন কৰাৰ ক্ষেত্ৰত প্ৰযুক্তি, দক্ষতা নিৰ্মাণ তথা সজাগতা বৃদ্ধি কৰাৰ বাবে সম্পূৰ্ণৰূপে সাজু হৈছে। নতুন আইন কেইখন ৰূপায়ন কৰাৰ বাবে আৰক্ষী আৰু অনুসন্ধান প্ৰাধিকৰণক সকলো ধৰণৰ প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। আকাশবাণী আৰু দূৰদৰ্শনৰ বাতৰি, অনুষ্ঠান, আলোচনা তথা সামাজিক মাধ্যমৰ জৰিয়তে এই সন্দৰ্ভত বিশদ বিশ্লেষণ কৰা হৈছে। তদুপৰি জনসাধাৰণক এই বিষয়ে অৱগত কৰাৰ উদ্দেশ্যে বিভিন্ন ধৰণৰ আলোচনা, তথ্য সমৃদ্ধ ৱেব চাইট, মন্ত্ৰী পৰ্যায়ৰ ৱেবিনাৰ আদিৰ আয়োজন কৰা হৈছে। ইয়াৰ লগতে বিদ্যালয় আৰু উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহৰ পাঠ্যক্ৰমত এই বিষয়সমূহ অন্তৰ্ভুক্ত কৰাৰ বাবেও প্ৰয়াস কৰা হৈছে।

নতুন ফৌজদাৰী আইন কেইখনে প্ৰযুক্তিৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰীয় অপৰাধ সংগ্ৰহ ব্যুৰ'ৰে বৰ্তমান কাৰ্যক্ষম হৈ থকা ক্ৰাইম এণ্ড ক্ৰিমিনেল ট্ৰেকিং নেটৱৰ্কছ এণ্ড চিষ্টেমছ চমুকৈ চিচিটিএনএছ এপ্লিকেচনত ২৩টা সংশোধন কৰিব।

০০০০০

নতুন দিল্লীত লেফটেনেণ্ট জেনেৰেল উপেন্দ্ৰ দ্বিবেদীয়ে আজি পৰৱৰ্তী সেনাধক্ষ্য হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। দিল্লীৰ ৰাষ্ট্ৰীয় যুদ্ধ স্মৃতিসৌধত জেনেৰেল দ্বিবেদীয়ে মাল্যাৰ্পণ কৰাৰ লগতে কৰ্তব্যৰত হৈ থকাৰ সময়ত প্ৰাণ আহুতি দিয়া বীৰ জোৱানসকলক শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত জেনেৰেল দ্বিবেদীয়ে কয় যে- ভাৰতীয় সেনাবাহিনীক নেতৃত্ব দিয়াৰ সুযোগ পোৱাটো তেওঁৰ বাবে অতি গৌৰৱ আৰু সন্মানৰ কথা।

০০০০০০০০০

ভাৰতীয় জনতা পাৰ্টীয়ে আজি পশ্চিমবংগ শাসনাধিষ্ঠিত তৃণমূল কংগ্ৰেছক সমালোচনা কৰি কয় যে ৰাজ্যখনত অসামাজিক কাম-কাজ বৃদ্ধি হৈছে। নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত দলৰ মুখপাত্ৰ গৌৰৱ ভাটিয়াই তৃণমূল কংগ্ৰেছৰ মুৰব্বী আৰু পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে সংবিধান আৰু ইয়াৰ মূল্যক বিশ্বাস নকৰে বুলি অভিযোগ তোলে। মমতা বেনাৰ্জীয়ে অসামাজিক কামকাজৰ বিৰুদ্ধে কোনো ব্যৱস্থা লোৱা নাই বুলিও অভিযোগ কৰে। শ্ৰী ভাটিয়াই কয় যে উত্তৰ দিনাজপুৰৰ ৰাজগুৱা স্থানত এহাল পুৰুষ-মহিলাক শাৰীৰিকভাৱে নিৰ্যাতন দিয়াৰ ঘটনাই ইয়াক প্ৰমাণিত কৰে। এই ক্ষেত্ৰত কংগ্ৰেছৰ নেতা মল্লিকাৰ্জুন খাৰ্গে, ছোনিয়া গান্ধী, ৰাহুল গান্ধী আদিয়ে কিয় মৌনতা অৱলম্বন কৰিছে, সেই বিষয়েও তেওঁ প্ৰশ্ন কৰে।

০০০০০০০০০

আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আজি বিভিন্ন কাৰ্যসূচীৰ লগতে **উত্তৰ পূৰ্বাঞ্চলৰ বিকাশ গাথা** শীৰ্ষক এখন আলোচনাচক্ৰৰ আয়োজন কৰা হৈছে। আলোচনাচক্ৰত নেডফিৰ কাৰ্যবাহী সঞ্চালক এছ্ কে বৰুৱা, লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰিবেশ আৰু বহনক্ষম শাখাৰ মুৰব্বী সিদ্ধাৰ্থ ফুকন, ভাৰতীয় আৰক্ষী সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া তথা আৰক্ষীৰ অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বিভাগৰ সঞ্চালক প্ৰধান প্ৰদীপ কুমাৰ,

গুৱাহাটী এইমছৰ কাৰ্যবাহী সঞ্চালক ডাঃ অশোক পুৰাণিক অতিথি হিচাপে উপস্থিত থাকিব। গুৱাহাটীৰ পি আই বিৰ অতিৰিক্ত সঞ্চালক প্ৰধান জেনে নামছুয়ে আলোচনাৰ আঁত ধৰিব। ইয়াৰ লগতে প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি অন্তৰংগ আলাপ অনুষ্ঠিত কৰা হ'ব। সন্ধিয়া সুৰৰ শৰাই শীৰ্ষক অনুষ্ঠানত বিদ্যুত কুমাৰ মিশ্ৰই বেহেলা বাদনৰ লগতে মিৰাণ্ডা চৌধুৰী, পুলক বেনাৰ্জী আৰু ডলী ঘোষ সাধ্যই সংগীত পৰিবেশন কৰিব। এই অনুষ্ঠানতে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আয়োজন কৰা বাতৰি পঢ়া প্ৰতিযোগিতাৰ বিজয়ীসকলৰ নাম ঘোষণা কৰাৰ লগতে পুৰস্কৃত কৰা হ'ব। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ চৌহদত আজি আকাশীস্পন্দন শীৰ্ষক প্ৰাচীৰ পত্ৰিকাখনৰ নৱম সংখ্যাটি উন্মোচন কৰা হ'ব।

oooooooo

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বৰ্ডে আইচিচি-টি টুৱেণ্টি বিশ্বকাপৰ খিতাপ জয় কৰাৰ বাবে ভাৰতীয় দললৈ ১২৫ কোটি টকাৰ প্ৰাইজমানি ঘোষণা কৰিছে। শনিবাৰৰ নিশা কেনচিংটন অ'ভেলত ভাৰতৰ ঐতিহাসিক জয়ৰ পাছতে বিচিচিআইৰ সচিব জয় শ্বাহে এই কথা ঘোষণা কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীশ্বাহে কয় যে ভাৰতীয় দলে সমগ্ৰ টুৰ্ণামেণ্টখনতে ব্যতিক্ৰমী প্ৰতিভা, দৃঢ়তা তথা খেলুৱৈ সুলভ মানসিকতা প্ৰদৰ্শন কৰে। শ্ৰীশ্বাহে লগতে সকলো খেলুৱৈ, প্ৰশিক্ষক আৰু দলৰ সহযোগীসকলক এই উল্লেখনীয় কৃতিত্বৰ বাবে শুভেচ্ছা জনায়।

oooooooo

চেন্নাইৰ এম এ চিদম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত মহিলা ক্ৰিকেটত ভাৰত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। চতুৰ্থ দিনটোৰ দ্বিতীয় ইনিংছত দক্ষিণ আফ্ৰিকাই বাতৰি যুগুতোৱাৰ পৰলৈকে ৩২৪ ৰান কৰি খেলি আছে।

ইয়াৰ পূৰ্বে ভাৰতে প্ৰথম ইনিংছত প্ৰতিয়াছক ২৬৬ ৰাণত বল আউট কৰি ফ' ল' অনৰ সন্মুখীন হয়। স্পিনাৰ স্নেহ ৰানাই দক্ষিণ আফ্ৰিকাৰ ৮ ৰানৰ উইকেট দখল কৰি এইট ফেৰ লাভ কৰা তৃতীয় গৰাকী মহিলা হিচাপে স্বীকৃতি লাভ কৰে।

000000

**সমাপ্ত**